**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। গুৱাহাটীত আজিৰে পৰা উত্তৰ-পূৰ্বাঞ্চলৰ খনি মন্ত্ৰীসকলৰ দুদিনীয়া সন্মিলন।

২। ৰাজ্যত ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰেই সম্পন্ন হোৱাৰ সম্ভাৱনা।

৩। লামডিং-হাৰাংগাজাওত মাজত হোৱা ভূমিস্খলনৰ ফলত বহু হাজাৰ ট্ৰাক আবদ্ধ।

৪। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা সাময়িকভাৱে বন্ধ।

*আৰু*

৫। দ্বিতীয় এছিয়ান স্কোৱাচ ডাবলছ চেম্পিয়নশ্বিপছৰ পুৰুষ-মহিলা আৰু মিক্সড্ ডাবলচৰ তিনিওটা শিতানত ভাৰতৰ খিতাপ দখল।

০০০০০০

খনি মন্ত্ৰালয়ৰ উদ্যোগত আৰু কয়লা মন্ত্ৰালয় আৰু অসম চৰকাৰৰ সহযোগত উত্তৰ-পূৰ্বাঞ্চলৰ খনি মন্ত্ৰীসকলৰ দ্বিতীয়খন সন্মিলন আজিৰে পৰা দুদিনীয়াকৈ গুৱাহাটীৰ মে' ফেয়াৰ স্প্ৰীং ভেলী ৰিজৰ্টত অনুষ্ঠিত হ'ব। এইবেলি এই সন্মিলনৰ মূল উদ্দেশ্যে হ'ল বহনক্ষম আৰু বৈজ্ঞানিক খনন কাৰ্যক উৎসাহ প্ৰদান, সম্পদ খণ্ডত ব্যৱসায়ৰ অগ্ৰগতি সাধন আৰু সুষম আঞ্চলিক উন্নয়নৰ বাবে কেন্দ্ৰ- ৰাজ্যৰ সমন্বয়ক সুদৃঢ়কৰণৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলক শক্তিশালী কৰি তোলা। সন্মিলনৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডীয়ে অধ্যক্ষতা কৰিব। অনুষ্ঠানত কয়লা আৰু খনি ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্মিলনৰ দুয়োটা দিনতেই খননৰ সৈতে জড়িত বিভিন্ন অধিৱেশন অনুষ্ঠিত হ'ব। সন্মিলনত ভালেকেইখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হ'ব। উল্লেখযোগ্য যে, ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পৰা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ২৮৩টা মিনাৰেল ব্লক নিলামৰ বাবে সাজু কৰিছে। ইয়াৰে ১৬১টা মিনাৰেল ব্লক সফলভাৱে নিলাম কৰা হৈছে আৰু এই সংখ্যা বৰ্তমান ৫১৫লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত অসমৰ ৫টা মিনাৰেল ব্লক আৰু অৰুণাচল প্ৰদেশৰ ৪টা গুৰুত্বপূৰ্ণ মিনাৰেল ব্লক অন্তৰ্ভুক্ত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগিক বিকাশ আৰু কৰ্মসংস্থাপনৰ নতুন পথ মুকলি হৈছে। উল্লেখযোগ্য যে, খনি মন্ত্ৰালয়ে সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ খনিজ সম্পদৰ অপাৰ সম্ভাৱনা প্ৰদৰ্শন কৰিব পৰাকৈ বিভিন্ন ধৰণৰ উপস্থাপন কৰা হ'ব।

০০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰেই সম্পন্ন কৰিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ৩ হাজাৰ ৮০০টা নিম্ন প্ৰাথমিকৰ আৰু এহেজাৰ ৭৫০টা উচ্চ প্ৰাথমিকৰ পদ বুলি সঞ্চালকালয়ে জানিবলৈ দিছে। উল্লেখযোগ্য যে, এই পদসমূহ পূৰণৰ বাবে

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ২০২৩ চনৰ ২৬ ডিচেম্বৰতে বিজ্ঞাপন প্ৰকাশ কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত ন্যায়ালয়ৰ বাধাৰ বাবে এই পদসমূহ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাছিল। বৰ্তমান ন্যায়ালয়ৰ বাধা আঁতৰোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা প্ৰাৰ্থীসকলৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ আৰম্ভ হ'ব। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে অহা ৩০ জুনলৈ এই নথি পৰীক্ষণ প্ৰক্ৰিয়াত উপস্থিত থাকিবলগীয়া প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ কৰিছে। নথি পৰীক্ষণ প্ৰক্ৰিয়াত প্ৰাৰ্থীসকলৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰসমূহ পৰীক্ষা কৰা হ'ব বুলি প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে জানিবলৈ দিয়ে। নেচনেল ইনষ্টিটিউট অব্ অপেন স্কুলিঙৰ অধীনত ডি ই এল এড লাভ কৰা সকলেও সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ সুবিধা লাভ কৰিব।

০০০০০০

ভূমিস্খলনৰ ফলত বিগত ১০ দিন ধৰি ডিমা হাছাও জিলা আৰু শিলচৰৰ মাজত পথ যোগাযোগ বিচ্ছিন্ন হৈ থকাৰ ফলত লামডিং-হাৰাংগাজাওত হাজাৰ হাজাৰ ট্ৰাক আবদ্ধ হৈ পৰিছে। লংকাৰ দিশৰ পৰা অহা ট্ৰাকসমূহ লামডিং সংৰক্ষিত বনাঞ্চলত আবদ্ধ হৈ আছে। একেদৰে শিলচৰৰ দিশৰ পৰা অহা ট্ৰাকসমূহ ডিকটচাৰা-হাৰাংগাজাওত আবদ্ধ হৈ পৰিছে। দুয়োপিনে আবদ্ধ হৈ পৰা হাজাৰ হাজাৰ ট্ৰাকৰ চালক আৰু হেণ্ডিমেনৰ খাদ্য-সামগ্ৰীৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। প্ৰশাসনে চালক-হেণ্ডিমেনসকলৰ খোৱা-বোৱাৰ যথোচিত ব্যৱস্থা কৰা নাই বুলি অভিযোগ উত্থাপিত হৈছে। অৱশ্যে ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অমেন্দু হোজাই আৰু জাতিংগাৰ একাংশ গিৰ্জাৰ সংগঠনসমূহে ট্ৰাক চালক আৰু হেণ্ডিমেনসকললৈ সহায়ৰ হাত আগবঢ়াইছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জাতিংগা আৰু লামপুৰৰ মাজৰ ভূমিস্খলন হোৱা ৰে'লপথৰ পৰা শিল-বালি আঁতৰোৱাৰ কাম যুদ্ধকালীন ক্ষিপ্ৰতাৰে চলি আছে। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে বৰ্তমান ১৫ খন এছকেভেটৰ আৰু ২০০ৰো অধিক শ্ৰমিকে ৰে'লপথছোৱা ৰে'ল চলাচলৰ উপযোগী কৰি তোলাৰ বাবে দিনে-নিশাই কাম কৰি আছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে কালি ভূমিস্খলন হোৱা অঞ্চলটো পৰিদৰ্শন কৰি মেৰামতি কাৰ্যৰ বুজ লয়। তেওঁ কয়, যে বতৰ অনুকুল হ'লে অহা সোমবাৰৰ ভিতৰত এই পথেৰে আংশিকভাৱে ৰে'ল চলাচল পুনৰ আৰম্ভ কৰিব পৰা যাব। মেৰামতি হোৱাৰ পাছত ভূমিস্খলন হোৱা অঞ্চলৰ ১০০ মিটাৰ অংশত সাৱধানতাৰে লেহেমীয়া গতিত ৰে'ল চলাচল কৰা হ'ব আৰু ভূমিস্খলন প্ৰতিৰোধৰ বাবে থকা গাৰ্ডৱালৰ পুনৰ নিৰ্মাণৰ বাবে আৰু প্ৰায় এমাহ সময় লাগিব। পূৰ্বৰ মিটাৰগেজ ৰে'লপথৰ ওপৰতে ব্ৰডগেজ ৰে'লপথ স্থাপন কৰাৰ ফলত এই ৰে'লপথছোৱাৰ কিছু কাৰিকৰী আঁসোৱাহ বৈ গৈছে। তেওঁ কয়, যে লংকাৰ পৰা শিলচৰ সংলগ্ন মইনাৰবন্দলৈ প্ৰায় ১৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন দ্বৈত ৰে'লপথ নিৰ্মাণৰ বাবে জৰীপ চলাই থকা হৈছে।

০০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াৰ পৰা আঁতৰত থকা ৩ শতাধিক ৰাজনৈতিক দলৰ স্বীকৃতি বাতিল কৰাৰ কাম আৰম্ভ কৰিছে। আয়োগে প্ৰথম পৰ্যায়ত ৩৪৫টা ৰাজনৈতিক দলৰ স্বীকৃতি বাতিল কৰিব আৰু পৰৱৰ্তী সময়তো এই প্ৰক্ৰিয়া অব্যাহত ৰাখিব বুলি প্ৰকাশ কৰিছে। আয়োগে কালি এই সন্দৰ্ভত সবিশেষ তথ্য সদৰী কৰে। বিগত ৬টা বছৰত যিবোৰ ৰাজনৈতিক দলে কোনো নিৰ্বাচনতেই প্ৰতিদ্বন্দ্বিতা কৰা নাই, নাইবা দুই-এটা দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিলেও সফলতা অৰ্জন কৰিব পৰা নাই, তেনে দলবোৰৰ স্বীকৃতি প্ৰথম পৰ্যায়ত বাতিল কৰিব। দেশৰ আটাইবোৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা পঞ্জীয়নভুক্ত এনে ধৰণৰ শতাধিক ৰাজনৈতিক দলৰ তথ্য ইতিমধ্যে সংগ্ৰহ কৰা হৈছে বুলি আয়োগে প্ৰকাশ কৰে। আয়োগে কয়, যে

কেৱল পঞ্জীয়ন কৰিলেই এটা ৰাজনৈতিক দলৰ দায়িত্ব আৰু কৰ্তব্য সম্পূৰ্ণ নহয়। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ২৯(ক) ধাৰা অনুসৰি পঞ্জীয়নভুক্ত প্ৰতিটো ৰাজনৈতিক দলে প্ৰতি বছৰে নিজৰ কাৰ্য-কুশলতাৰ তথ্য আয়োগৰ ওচৰত দাখিল কৰিব লাগে যদিও বহুকেই এই বাধ্যতামূলক বিষয়টো এৰাই চলে। উল্লেখযোগ্য যে, ২০২২ চনতো নিৰ্বাচন আয়োগে একাংশ নিষ্ক্ৰিয় তথা অকমৰ্ণ্য ৰাজনৈতিক দলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি ২৮৪টা দলৰ স্বীকৃতি বাতিল কৰিছিল। দেশত বৰ্তমানো প্ৰায় ৩ হাজাৰ সৰু বৰ পঞ্জীয়ন ভুক্ত ৰাজনৈতিক দল আছে বুলি আয়োগে সদৰী কৰে।

০০০০০০

পুৱতি নিশাৰ পৰা হোৱা মূষলধাৰ বৰষুণৰ ফলত ডিব্ৰুগড়ত কৃত্ৰিম বানৰ সৃষ্টি হৈছে। কৃত্ৰিম বানৰ ফলত চহৰখনৰ প্ৰায়বোৰ অঞ্চলতে স্বাভাৱিক জীৱনযাত্ৰা বিপৰ্যস্ত হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয় আদিলৈ একাঠু পানী গচকি যাবলগীয়া হোৱাত সকলোৰে যথেষ্ট আলৈ-আথানি হৈছে।

০০০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ তিনিওটা ফেৰী ঘাটৰ সন্ধিয়াৰ ফেৰী সেৱা আজিৰে পৰা সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি আৰু কোবাল সোঁতৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি আভ্যন্তৰীণ জল পৰিবহন বিভাগে সদৰি কৰিছে। যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই সিদ্ধান্ত পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত বাহাল থাকিব বুলি জানিবলৈ দিয়া হৈছে। যাত্ৰীসকলৰ অসুবিধা দূৰ কৰিবলৈ বিকল্প বাছ সেৱাৰ ব্যৱস্থা কৰিবলৈ কামৰূপ জিলা প্ৰশাসনে নিৰ্দেশ দিছে।

০০০০০০

ভাৰতে দ্বিতীয় এছিয়ান স্কোৱাচ ডাবলছ চেম্পিয়নশ্বিপছৰ পুৰুষ-মহিলা আৰু মিক্সড্ ডাবলচ- এই তিনিওটা শিতানত খিতাপ দখল কৰিছে। পুৰুষৰ ডাবলচৰ ফাইনেলত শীৰ্ষ বাছনিপ্ৰাপ্ত অভয় সিং আৰু ভেলাভান চেন্থিল কুমাৰে এখন উত্তেজনাপূৰ্ণ খেলত পাকিস্তানৰ নুৰ জামান আৰু নাছিৰ ইকবালক ২-১ ফলাফলত পৰাস্ত কৰে। মহিলাৰ ডাবলছৰ ফাইনেলত দ্বিতীয় বাছনিপ্ৰাপ্ত জোস্না চিনাপ্পা আৰু অনাহত সিঙে মালয়েছিয়াৰ শক্তিশালী প্ৰতিদণ্ডী আইনা আমানী আৰু জিন য়িং য়িৰ বিৰুদ্ধে ২-১ ফলাফলত বিজয় অৰ্জন কৰে। ইপিনে মিক্সড ডাবলছ শিতানৰ ফাইনেলত শীৰ্ষ বাছনিপ্ৰাপ্ত অভয় আৰু অনাহতৰ ভাৰতীয় যুটিটোৱে মালয়েছিয়াৰ ৰাচেল আৰ্ণল্ড আৰু অমিসেনৰাজ চন্দ্ৰনক ২-০ ফলাফলত সহজে পৰাস্ত কৰে।

০০০০০০

দুগ্ধ উন্নয়নৰ নামত মন্ত্ৰী পত্নীৰ ৰাজ সাহায্যৰ ক্ষেত্ৰত হোৱা অনিয়মৰ খবৰে ৰাজ্যৰ সৰ্বত্ৰ জোকাৰি গৈছে। ৰাজ্য সাহায্যৰ বিৰুদ্ধে সৰৱ হৈছে বিধায়ক অখিল গগৈয়ো। এই সন্দৰ্ভত অন্যান্য কাকতৰ লগতে **অসমীয়া প্ৰতিদিন** কাকতে বিস্তৃত বাতৰি প্ৰকাশ কৰিছে।

মালেয়েছিয়াৰ এটা চৰকাৰী সংস্থাৰ পৰা উত্তৰ-পূৰ্বাঞ্চলত উৎপাদনৰ বাবে পতঞ্জলি ফুড লিমিটেডে ১৫ লাখ তৈল খেজুৰৰ বীজ কিনিছে। উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্যলৈ ভাবুকি কঢ়িয়াব পৰা এই তৈল খেজুৰৰ খেতিক লৈ **দৈনিক অসম** কাকতে বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য উপভোগ কৰিবপৰাকৈ চৰকাৰে উজান বজাৰত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে নিৰ্মাণ কৰা দলং সদৃশ অভিলাষী প্ৰকল্পটো অচিৰেই ৰাইজৰ সেৱাত উৎসৰ্গা কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। এই বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

পৰিৱেশগত অনুমোদনৰ ম্যাদ উকলাৰ পাছতো কাৰ্বি আলঙৰ পানীমৰাত পাহাৰ বিস্ফোৰণ অব্যাহত আছে। কোটি কোটি টকাৰ ৰাজহ ফাঁকি দি শিলৰ খনন আৰু সৰবৰাহ অব্যাহত ৰাখি লুণ্ঠনৰাজ চলাই অহা এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

পেহেলগাম আক্ৰমণৰ উল্লেখ নথকা বাবে চীনৰ কিংডাওত অনুষ্ঠিত এছ্ চি অ'ৰ সন্মিলনৰ যৌথ ঘোষণা পত্ৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে স্বাক্ষৰ নকৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

নিৰ্বাচনত সফলতা প্ৰদৰ্শন কৰিব নোৱাৰা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ পৰা আঁতৰাই ৰখা ৩ শতাধিক ৰাজনৈতিক দলৰ স্বীকৃতি নিৰ্বাচন আয়োগে বাতিল কৰাৰ সম্ভাৱনা আছে। এই বাতৰি **অসমীয়া খবৰ** কাকতৰ।

টেছ্লা আৰু স্পেচ এক্সৰ স্বত্বাধিকাৰী ইলন মাস্কে দৃষ্টিহীনক দৃষ্টিদান কৰাৰ উদ্দেশ্যে মানৱ শৰীৰত এটা নতুন ব্ৰেইন চীপ ব্যৱহাৰ কৰিব। দৃষ্টিহীনক দৃষ্টিদান কৰিব ইলন মাস্কে শিৰোনামেৰে এই বাতৰি **আমাৰ অসম** কাকতৰ।

শিৱসাগৰৰ ভটিয়াপাৰত তেল আৰু প্ৰাকৃতিক গেছ্ নিগম লিমিটেডৰ তৈল খাদৰ গেছ্ নিৰ্গমণ সম্পূৰ্ণ ৰূপে বন্ধ কৰাৰ বাবে দেশী-বিদেশী বিশেষজ্ঞই চলাই থকা প্ৰচেষ্টাৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অগৰাতলী সংমণ্ডলৰ বৃহৎ পৰিমাণৰ ভূমি নদীৰ বুকুত জাহ যোৱাৰ এটা বাতৰি **দ্যা চেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত